চনৰপৰা বছৰি সমগ্ৰ দেশতে আয়োজন কৰা 'ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ'ৰ (National Children's Science Congress) জন্ম তেখেতৰ প্ৰচেষ্টাতে হৈছিল। ২০০৩ চনৰপৰা আৰম্ভ হোৱা বিজ্ঞান শিক্ষক আৰু বিজ্ঞানীৰ দ্বিবাৰ্ষিক 'ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষক সমাৰোহ'ৰ (National Teachers' Science Congress) প্ৰতিষ্ঠাৰ লগতো তেখেত জড়িত আছিল। ড° ছাইগলৰ প্ৰচেষ্টাতে প্ৰথমবাৰৰ বাবে অনাতাঁৰ আৰু দূৰদৰ্শন মাধ্যম যোগে বিজ্ঞান-জনপ্ৰিয়কৰণমূলক কাৰ্যক্ৰমৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল। সেই সময়ছোৱাৰ উল্লেখযোগ্য বিজ্ঞানভিত্তিক ধাৰাবাহিকসমূহ আছিল বিজ্ঞান ৱিধি, কিঁউ ঔৰ কেইছে, মানৱ কা ৱিকাশ, কুদ্ৰতনামা, ইত্যাদি। ১৯৯৫ চনত 'গণেশৰ দুগ্ধপান' অন্ধবিশ্বাসৰ ভেদ ভঙা আৰু দূৰদৰ্শনযোগে পূৰ্ণ সূৰ্যগ্ৰহণৰ ৰাজহুৱা দৰ্শনৰ ব্যৱস্থা কৰাতো তেখেতে আগভাগ লৈছিল। তেখেতৰ সম্পাদনাতে 'এনছিএছটিছি কমিউনিকেশ্যনছ' পত্ৰিকাখন প্ৰকাশ পাইছিল। এই পত্ৰিকা আৰু 'বিজ্ঞান প্ৰচাৰ'ৰ 'ড্ৰিম ২০৪৭' নামৰ জনপ্ৰিয় আলোচনীখন আজিও নিয়মীয়াকৈ প্ৰকাশ হৈ আছে।

ড° এন কে ছাইগলক বিজ্ঞান-জনপ্ৰিয়কৰণৰ ক্ষেত্ৰখনলৈ সৰ্বোত্তম বৰঙণি আগ বঢ়োৱাৰ বাবে ১৯৯১ চনত বিজ্ঞান-জনপ্ৰিয়কৰণৰ সৰ্বোচ্চ আন্তৰ্জাতিক সন্মান 'কলিংগ বঁটা' প্ৰদান কৰা হৈছিল। তেখেত এই বঁটাৰ প্ৰাপক দ্বিতীয়গৰাকী ভাৰতীয়।

নৰেন্দ্ৰ ছাইগল এগৰাকী সৰলচিতীয়া, প্ৰচাৰবিমুখ, নিজ কৰ্মক্ষেত্ৰত একাগ্ৰপতীয়াকৈ লগা নীতিনিষ্ঠ ব্যক্তি আছিল। তেখেতে বহুতো ছাত্ৰ-ছাত্ৰী, বিজ্ঞানকৰ্মী আৰু বিজ্ঞানীক বিজ্ঞান-জনপ্ৰিয়কৰণত নিষ্ঠা আৰু ঐকান্তিকতাৰে আত্মনিয়োগ কৰিবলৈ প্ৰেৰণা যোগাইছিল। ড° এন কে ছাইগল ১৯৯৬ চনৰ ছেপ্টেম্বৰত গুৱাহাটীৰ 'ইনষ্টিটিউট অব ইঞ্জিনিয়াৰ্ছ'ত অনুষ্ঠিত হোৱা অভিযন্তা হৰিপ্ৰসাদ বৰুৱা সোঁৱৰণী বক্তৃতা উদ্বোধন কৰিবলৈ আহিছিল।

২০০৫ চনৰ ২৮ ফেব্ৰুৱাৰিত নতুন দিল্লীত বিজ্ঞান-জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰিবলৈ যাওঁতে মই এইগৰাকী মহান ব্যক্তিক এটা অনানুষ্ঠানিক পৰিৱেশত লগ পাইছিলোঁ। মই নিজৰ পৰিচয় দিয়াত তেখেতে মোক সুধিছিল—গুৱাহাটীৰপৰা ইমান দূৰৈত থাকি মই কেনেকৈ বিজ্ঞান-জনপ্ৰিয়কৰণৰ কাম কৰোঁ, ১৯৯৫ চনত দেশত 'গণেশে গাখীৰ খাওঁতে' মই তাত কি কৰিছিলোঁ, ইত্যাদি। কথা-বাৰ্তাখিনি মই পোৱা পুৰস্কাৰৰ সাক্ষাৎকাৰ যেনেই লাগিছিল।

দেশখনৰ যিকোনো অংশত থাকিয়েই বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাৰ প্ৰচাৰৰ সাৰ্থকতা বিচাৰি পোৱা এই দূৰদৃষ্টিসম্পন্ন ব্যক্তিগৰাকীয়ে কৈছিল ঃ "... When we say "India can do it", it necessarily implies that "Arunachal Pradesh can do it!", "Assam can do it!" ... "Bihar can do it!" ... "W. Bengal can do it!" ... and so on, within each state, at the district level as well. Yes, each state would not have outstanding achievements in each area! But each state, to be sure, would have its own niche areas to focus attention on. And if we can get a well-annotated catalogue of their outstanding achievements in different S & T areas, from each State, together they would provide enough material for an exciting volume on "India can do it!".

## ৰেডিঅ'জ্যোতিৰ্বিজ্ঞানী ড° গোবিন্দ স্বৰূপ

মহাকাশৰ ৰেডিঅ' তৰংগৰ উৎসমূহৰ বিষয়ে অধ্যয়ন কৰাটো আধুনিক জ্যোতিৰ্বিজ্ঞানৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ এই অধ্যয়নে ঘাইকৈ বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি আৰু বিকাশৰ ৰহস্যৰ সন্ধানত অৰিহণা যোগায়। ভাৰতত ৰেডিঅ'জ্যোতিৰ্বিজ্ঞান (radio astronomy) নামৰ এই শাখাটোৰ অধ্যয়ন আৰু গৱেষণাৰ দুৱাৰ মুকলি কৰাত যিগৰাকী বিজ্ঞানীয়ে অগ্ৰণী ভূমিকা পালন কৰি দেশখনক বিশ্বৰ আগ শাৰীত থিয় কৰাবলৈ সক্ষম হৈছিল, তেখেতেই হ'ল ড° গোবিন্দ স্বৰূপ।


*গোবিন্দ স্বৰূপ*

১৯২৯ চনৰ ২৩ মাৰ্চত উত্তৰ প্ৰদেশৰ ঠাকুৰদ্বাৰত গোবিন্দ স্বৰূপৰ জন্ম হৈছিল। তেখেতে এলাহাবাদ বিশ্ববিদ্যালয়ৰপৰা বিএছছি (১৯৪৮) আৰু এমএছছি (১৯৫০) উপাধি লাভ কৰাৰ পাছত ১৯৬১ চনত ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট উপাধি লাভ কৰিছিল।

প্ৰথম অৱস্থাত অধ্যাপক গোবিন্দ স্বৰূপে 'ৰাষ্ট্ৰীয় ভৌতিক গৱেষণাগাৰ'ত (NPL) দুবছৰৰ বাবে চাকৰি কৰিছিল। ১৯৬৩ চনত ষ্টেনফৰ্ডৰপৰা উভতি আহি তেখেতে ড° হোমি জাহাংগিৰ ভাভাৰ আহ্বানক্ৰমে 'টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠান'ত (TIFR) যোগদান কৰি তাতে সুখ্যাতিৰে অধ্যাপনা আৰু গৱেষণাৰ জীৱন অতিবাহিত কৰে। তেখেতৰ গৱেষণাৰ মূল বিষয় ৰেডিঅ'জ্যোতিৰ্বিজ্ঞান, আৰু ভাৰতত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ তাত্বিক আৰু প্ৰায়োগিক দিশৰ বিকাশৰ লাইখুঁটা তেখেতেই প্ৰতিষ্ঠা কৰিছিল। তেখেত আছিল টিআইএফআৰৰ 'ৰাষ্ট্ৰীয় ৰেডিঅ' জ্যোতিৰ্বিজ্ঞান কেন্দ্ৰ'ৰ (National Centre for Radio Astrophysics) প্ৰতিষ্ঠাপক সঞ্চালক।

ড° স্বৰূপে সৌৰ ৰেডিঅ' প্ৰস্ফুট ('Type U' solar radio bursts) সম্বন্ধে এটা বিশেষ আৱিষ্কাৰ কৰে, আৰু 'শান্ত সূৰ্য'ই (Quiet Sun) নিৰ্গত কৰা ৰেডিঅ' তৰংগ ব্যাখ্যা কৰাৰ এটা নতুন মডেল উদ্ভাৱন কৰে। তেখেতে শক্তিশালী ৰেডিঅ' তাৰকাৰাজ্য ছিগনাছ-এ (Cyg-A) আৰু ছেজিটেৰিয়াছ-এ (Sgr-A) সম্পৰ্কেও গুৰুত্বপূৰ্ণ আৱিষ্কাৰ কৰে। ১৯৮০ৰ দশকত তেখেতে কোৱাছাৰ সম্পৰ্কেও কেইটামান নতুন অধ্যয়ন কৰে। ১৯৬৩-৭০ চনৰ কালছোৱাত তেখেতে দক্ষিণ ভাৰতৰ উটিত একক আৰু নৱতম আৰ্হিৰে এটা বৃহৎ আকাৰৰ পেৰাব'লিক-ছিলিণ্ড্ৰিকেল ৰেডিঅ' দূৰবীন নিৰ্মাণ কৰে।

ড° স্বৰূপে ১৯৮৪–৯৬ চনত নিজস্ব আৰ্হি, পৰিকল্পনা আৰু নিৰ্দেশনাৰে 'জায়েণ্ট মিটাৰ-ৱেভ ৰেডিঅ' দূৰবীন' (Giant Metrewave Radio Telescope; GMRT) নিৰ্মাণ কৰে। পুণেৰ কাষৰ নাৰায়ণগাঁৱত স্থাপন কৰা এই দূৰবীনটোত ২৫ মিটাৰ ব্যাসৰ ৩০ খন অভিবৃত্তীয় কাঁহী আছে, আৰু ইয়েই ১৩০–১৪৩০ মেগাহাৰ্টজত কম্পনাংকত কাৰ্যক্ষম বিশ্বৰ সৰ্ববৃহৎ ৰেডিঅ' দূৰবীন। তেখেতে ১৯৯৭ চনৰপৰা কাৰ্যক্ষম হোৱা এই দূৰবীনৰ সহায়ত আদিম বিশ্বব্ৰহ্মাণ্ডত থকা বস্তুৰ পাৰমাণৱিক হাইড্ৰ'জেনৰ নিৰ্গমন আৰু অৱশোষণ বৰ্ণালী অধ্যয়ন কৰিছিল। মুঠতে ড° স্বৰূপে সৌৰ ৰেডিঅ' নিৰ্গমন, পালছাৰ, কোৱাছাৰ, ৰেডিঅ' তাৰকাৰাজ্য, ব্ৰহ্মাণ্ডতত্ত্ব আদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়াইছিল।